# চলন্তাপাৰাৰ মহাত্মা গান্ধী মহাবিদ্যালয়ৰ নৱাগতক আদৰণি

যোগীঘোপা, ৯ ছেপ্টেম্বৰ ঃ বঙাইগাঁও জিলাৰ যোগীঘোপাৰ চলন্তাপাৰাস্থিত মহাত্মা গান্ধী মহাবিদ্যালয়ত শিক্ষানুষ্ঠানখনৰ ছাত্ৰ একতা সভাৰ উদ্যোগত কালি নৱাগত আদৰণী সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ শ্বেখ খকৰুদ্দিন আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত মেৰী পাব্লিক স্কুলৰ সঞ্চালক তথা বিশিষ্ট সমাজসেৱক বাবৰ আলীয়ে মুখ্য অতিথি হিচাপে দিয়া ভাষণত কয় যে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ জীৱনটো গঢ়ি তোলাৰ মূল সময় হৈছে কলেজীয়া কালছোৱা। তেওঁ কয়— 'এই মহাবিদ্যালয়খনে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে কুৰি বছৰ অতিক্ৰম কৰি ইতিহাসৰ সূচনা কৰিলে। আজিকালি ছাত্ৰ-ছাত্ৰীয়ে ফেচবুক হোৱাটছএপত অযথা মূল্যবান সময় নষ্ট কৰে। এইবোৰত সময় নষ্ট কৰাতকৈ কিতাপ, বাতৰি কাকত পঢ়ি জ্ঞান আহৰণ কৰা উচিত।' সভাত আন এজন বক্তা তথা মহাবিদ্যালয়খনৰ ৰাজনৈতিক বিভাগৰ প্ৰবক্তা এবাদুল হুছেইনে ভাষণত কয় যে তুমি নিজৰ জাতি, মাটি আৰু ভাষাক যদি পাহৰি যোৱা, তেতিয়াহ'লে তুমিও এদিন নিজক পাহৰি যাবা। সভাত নৱাগত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ অধ্যাপিকা বন্দনা কলিতাই 'নৱাগতা আদৰণি' শীৰ্ষক কবিতাৰে অনুষ্ঠানটো জীপাল কৰি তোলে। আনহাতে, সভাৰ আৰম্ভণিতে মহাবিদ্যালয়খনৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন কলা-কৃষ্টিৰ প্ৰদৰ্শনেৰে নৃত্য-গীতত অংশ লয়। সভাত মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আবুল হুছেইন আৰু উপাধ্যক্ষ মেহবুবৰ ৰহমানে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্য ভাষণ দিয়ে। মুকলি সভাৰ পাছত এটা সাংস্কৃতিক অনুষ্ঠান আয়োজিত হয়। সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত শিল্পী ধন বৰ্মন, মহাবিদ্যালয়খনৰ প্ৰবক্তা আনোৱাৰ হুছেইন আৰু ছাত্ৰী কণিকা দাসে গীত পৰিৱেশন কৰে।

# আৰপিৰ বিনামলীয়া চিকিৎসা

## ধূপধৰাত বন বিভাগৰ পৰিদৰ্শন বঙলা উদ্বোধন

# কাঁহিবাৰীত ভূমি সংৰক্ষণ বিভাগৰ আঁচনি পৰিদৰ্শন কৰি অসন্তুষ্ট মন্ত্ৰী

প্ৰতিদিন বিশেষ সেৱা-সেৱা, গোৱালপাৰা-ধূপধৰা, ৩ ছেপ্টেম্বৰ ঃ ঃ বন মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মই আজি গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত বন ধ্বংস প্ৰত্যক্ষ কৰাৰ লগতে ভূমি সংৰক্ষণ বিভাগৰ কেইবাখনো আঁচনি পৰিদৰ্শন কৰে। জিলাখনৰ ধূপধৰাত বন বিভাগৰ নৱনিৰ্মিত পৰিদৰ্শন বঙলা এটা উদ্বোধন কৰি মন্ত্ৰীগৰাকী ৰাওনা হয় কাঁহিবাৰীলৈ। কাঁহিবাৰীত ভূমি সংৰক্ষণ বিভাগে নিৰ্মাণ কৰা এটি বান্ধ পৰিদৰ্শন কৰিবলৈ গৈ অথন্তৰৰ সন্মুখীন হয় মন্ত্ৰীগৰাকী। কিয়নো বান্ধটো চাবলৈ যাওঁতে পথত পাৰ হ'ব লাগে এখন সাঁকো। কিন্তু সাঁকোখন জৰাজীৰ্ণ হোৱা বাবে মন্ত্ৰীগৰাকীয়ে পাৰ হ'ব নোৱাৰিলে জানটো। ইয়াতেই ক্ষুণ্ণ হৈ স্থানীয় ৰাইজৰ ওপৰত ক্ষোভ উজাৰে মন্ত্ৰীগৰাকীয়ে। মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মৰ মতে চৰকাৰলৈ বাট নাচাই ৰাইজে গাঁঠিৰ ধনেৰে নতুনকৈ নিৰ্মাণ কৰিব লাগিছিল জৰাজীৰ্ণ সাঁকোখন। ইয়াৰ পিচত বিভাগীয় আঁচনি পৰিদৰ্শন কৰি গোৱালপাৰা চহৰৰ ভালুকডুবিস্থ আৱৰ্ত ভৱনত উপস্থিত হয় মন্ত্ৰীগৰাকী। আৱৰ্ত ভৱনত উপস্থিত হোৱাৰ পিচত জিলাখনত অব্যাহত থকা শিল-বালিৰ অবৈধ বেহাৰ লগতে অবৈধ কাঠ ফলা কল আৰু বন ধ্বংসৰ বিষয়ে স্থানীয় সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰ দি ৰাইজৰ অভিযোগ পালে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কাঁহিবাৰী ভূমি সংৰক্ষণ বিভাগৰ বান্ধৰ কাম পৰিদৰ্শন কৰি অসন্তুষ্ট হোৱা মন্ত্ৰী ব্ৰহ্মই কামৰ মান উন্নত কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অধীনস্থ বন বিভাগৰ পৰিদৰ্শন বঙলা এটা মুকলি কৰে।

# চলন্তাপাৰাত বিভাগীয় আঁচনিৰ কাম কাজৰ বুজ ল'লে মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মই

প্ৰতিদিন সেৱা, যোগীঘোপা, ৩ ছেপ্টেম্বৰ ঃ ঃ বন আৰু ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মই আজি বিয়লি হঠাৎ চলন্তাপাৰাস্থিত মহাত্মা গান্ধী মহাবিদ্যালয়তো উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনত ৰূপায়িত ভূমি সংৰক্ষণ বিভাগৰ আঁচনিৰ কামৰ বুজ লয়। উল্লেখ্য যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ আমোলত মহাবিদ্যালয়খনত পৰিৱেশ সংৰক্ষণ আঁচনিৰ অধীনত গছপুলি ৰোপণৰ বাবে ভূমি সংৰক্ষণ বিভাগে মুঠ ৩ লাখ ৪৪ হেজাৰ টকা মঞ্জুৰি দিছিল। উক্ত ধনৰাশিৰে মহাবিদ্যালয়খনৰ খেলপথাৰৰ চৌদিশে মুঠ ১২৬ জোপা গছপুলি ৰোপণৰ লগতে প্ৰতিটো গছপুলিৰ বিপৰীতে চাৰি ফুট ওখকৈ ইটাৰে বেৰ দিয়ে। উত্থাপিত অভিযোগ মতে উক্ত আঁচনিৰ কামত প্ৰায় ২ লাখ টকা ব্যয় কৰি কাগজে-পত্ৰই সম্পূৰ্ণ ধন ব্যয় কৰা দেখুৱাই বাকী ধন সংশ্লিষ্ট ঠিকাদাৰ, অভিযন্তা তথা বিষয়াই মিলি আত্মসাৎ কৰে। ইফালে ৰহস্যজনকভাৱে মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মই আঁচনিৰ কামৰ প্ৰশংসা কৰি দুৰ্নীতিক উৎসাহ যোগোৱাহে পৰিলক্ষিত হয়। আনহাতে অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ ঐতিহাসিক ভৈৰৱচূড়া পাহাৰত অব্যাহত থকা অবাধ বন ধ্বংসযজ্ঞ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়াৰ লগতে তেওঁ নিজেই উক্ত অঞ্চল পৰিদৰ্শন কৰিব বুলিও জানিবলৈ দিয়ে।

CamScanner